# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-04-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - -

ooooo

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে ৰাজ্যৰ নিৰ্বাচন হ'বলগীয়া জিলাকেইখনত ব্যাপক প্ৰচাৰ চলাই আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজি জিলাত পঞ্চায়ত নিৰ্বাচনৰ বাবে মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত অংশ লয়। জিলাখনৰ চিলাপথাৰৰ অকাজান হাইস্কুল খেলপথাৰত আয়োজিত নিৰ্বাচনী সভাত অংশ লৈ মুখ্যমন্ত্ৰীয়ে দলীয় প্ৰাৰ্থীক জয়ী কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। নিজৰ ভাষণত ড০ শৰ্মাই ৰাজ্য চৰকাৰৰ বিগত সময়ছোৱাত সফলতাৰ বিষয়ে উল্লেখ কৰে। তদুপৰি এডভান্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ পাছত ৰাজ্যখনত উদ্যোগ ক্ষেত্ৰত মুকলি হোৱা বিনিয়োগ সা-সুবিধা আৰু ইয়াৰ ফলত ৰাজ্যখনৰ যুৱক-যুৱতীৰ বাবে নিয়োগৰ পথ প্ৰশস্ত হোৱাৰ কথাও উল্লেখ কৰে।

ইপিনে, বৰাক উপত্যকা ভ্ৰমণৰ অন্তিম দিনা আজি ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই এখন সংবাদ মেলত ৰাজ্যখনৰ বিজেপি মিত্ৰজোঁটৰ দ্বিতীয়টো কাৰ্যকালত সকলো দিশতে উন্নয়ন হৈছে বুলি মন্তব্য কৰে। তেওঁ বৰাক উপত্যকাৰ তিনিওখন জিলাত বিজেপিয়ে পঞ্চায়ত নিৰ্বাচনত ভাল ফলাফল দেখুৱাব বুলি আশা প্ৰকাশ কৰে।

শিৱসাগৰত আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। আজি বিজেপি, অসম গণ পৰিষদ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ বিধায়ক সুশান্ত বৰগোঁহাইয়ে শিৱসাগৰ নগৰৰ সমীপৰ নগৰ মহল গাঁও পঞ্চায়তত এলানি নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। একেদৰে গোলাঘাটত মন্ত্ৰী অজন্তা নেওগে নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। মন্ত্ৰীগৰাকীয়ে আজি মেৰাপানীত তৰাণি জিলা পৰিষদৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ সভাত অংশ লয়। বোকাখাত সমষ্টিত অগপ আৰু বিজেপি মিত্ৰজোঁটৰ হৈ কৃষি মন্ত্ৰী তথা অগপৰ সভাপতি অতুল বৰাই প্ৰচাৰ অব্যাহত ৰাখিছে।

ooooo

তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পাললৈ প্ৰশাসনীয় দিশত গ্ৰহণ কৰা উল্লেখনীয় ভূমিকাৰ বাবে প্ৰধানমন্ত্ৰীৰ উৎকৰ্ষতা বঁটা আগবঢ়োৱা হৈছে। সপ্তদশ অসামৰিক সেৱা দিৱসৰ লগত সংগতি ৰাখি আজি নতুন দিল্লীত আয়োজিত এটা বিশেষ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁক এই বঁটা প্ৰদান কৰে। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীয়ে ৰাজহুৱা প্ৰশাসনৰ ক্ষেত্ৰত উৎকৃষ্টতা প্ৰদৰ্শন কৰা দেশৰ ভিন ভিন জিলাৰ স্থানীয় প্ৰশাসন তথা কৰ্মচাৰীলৈ পুৰস্কাৰ আগবঢ়োৱা হয়। উল্লেখযোগ্য যে তিনিচুকীয়া জিলাৰ আয়ুক্তগৰাকীয়ে বিগত বৰ্ষত প্ৰশাসনিক দিশত তেওঁৰ সেৱাৰ বাবে মুখ্যমন্ত্ৰীৰ কৰ্মশ্ৰী বঁটা লাভ কৰিছিল। জিলা আয়ুক্ত হিচাপে শ্ৰীপালে

কাৰ্যনিৰ্বাহ কৰা বিগত দুটা বছৰত জিলাখনত বিভিন্ন চৰকাৰী আঁচনিৰ সফল ৰূপায়ণ কৰা হয়। জিলাখনত জাবৰ নিষ্কাষণৰ ক্ষেত্ৰত লোৱা উদ্ভাৱনীমূলক পদক্ষেপৰ বাবে যোৱা মাৰ্চত দেশৰ এখন আগশাৰীৰ কাকতৰ দ্বাৰা সুপ্ৰশাসনৰ বাবে দেশৰ অন্যতম জিলা দণ্ডাধীশ হিচাপেও তেওঁক সন্মানিত কৰা হৈছিল। জিলা আয়ুক্তগৰাকীয়ে এই সফলতাৰ আঁৰত তিনিচুকীয়া জিলাৰ শান্তিপূৰ্ণ পৰিৱেশ তথা জনসাধাৰণৰ সহযোগিতাৰ কথা উল্লেখ কৰে।

০০০০০

মীন, পশুপালন আৰু সংখ্যালঘু পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী জৰ্জ কুৰিয়ানে আজি গোৱালপাৰা জিলা পৰিভ্ৰমণ কৰি ভালেমান কাৰ্যসূচীত অংশ লয়। শ্ৰীকুৰিয়ানে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা সভাত অংশ লৈ বিভিন্ন বিভাগত ৰূপায়ণ হৈ থকা উন্নয়নমূলক কাম-কাজৰ খতিয়ান লয়। ইয়াৰ পাছত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰত বিভিন্ন প্ৰকাৰৰ মৎস্য উৎপাদন আৰু প্ৰতিপালন প্ৰকল্প পৰ্যবেক্ষণ কৰে। তেওঁ লগতে সেই স্থানতে উন্নতজাতৰ ছাগলী আৰু বিভিন্ন প্ৰজাতিৰ কুকুৰাৰ ফাৰ্মসমূহো পৰ্যবেক্ষণ কৰে। মন্ত্ৰীগৰাকীয়ে গোৱালপাৰা জিলাৰ অসমী গ্ৰাম্য বিপণীত আত্মসহায়ক গোটৰ মহিলাসকলে প্ৰস্তুত কৰা সাজপাৰ আৰু খাদ্য-সামগ্ৰী প্ৰত্যক্ষ কৰি সন্তুষ্টি প্ৰকাশ কৰে। শ্ৰীকুৰিয়ানে ছামাগুৰিত জলজীৱন অভিযানৰ অধীনত ৰূপায়ণ হোৱা খোৱাপানী যোগান আঁচনি পৰিদৰ্শন কৰাৰ লগতে উৰপদ বিলৰ নান্দনিক সৌন্দৰ্য উপভোগ কৰে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি সতী সাধনী দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। সাহস, ধৈৰ্য, বীৰত্ব আৰু দেশ তথা জাতিৰ বাবে চৰম বলিদান দিয়া বীৰাংগনা সতী সাধনীক আজি ৰাজ্যবাসীয়ে শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছে।

কামৰূপ মহানগৰৰ বৰবাৰীৰ পাথৰকুৰেৰী মেগজিনস্থিত সাধনী ভৱনত আজি দিনজোৱা কাৰ্যসূচীৰে এই দিৱস পালন কৰা হয়। মহানগৰ জিলা চুতীয়া জাতি সন্মিলন, মহিলা সন্মিলন, চুতীয়া ছাত্ৰ সন্থা আৰু চুতীয়া সাংস্কৃতিক বিকাশ কেন্দ্ৰৰ সহযোগত আয়োজন কৰা অনুষ্ঠানত ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। এই দিৱসৰ লগত সংগতি ৰাখি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা তথা মহানগৰ জিলা চুতীয়া জাতি সন্মিলনৰ সভাপতি তৰুণ চুতীয়াৰ সভাপতিত্বত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। এই অনুষ্ঠানতে কেইবাটাও দলে দিহানাম পৰিৱেশন কৰাৰ উপৰি চুতীয়া কৃষ্টি-সংস্কৃতি প্ৰদৰ্শনেৰে নৃত্য পৰিৱেশন কৰে। উত্তৰ গুৱাহাটীতে আজি ৰংমহলৰ হৰিমন্দিৰ নামঘৰ প্ৰাংগণত এই দিৱস পালন কৰা হয়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সতী সাধনী দিৱস উপলক্ষে মহিয়সী নাৰীগৰাকীৰ গভীৰ দেশপ্ৰেম আৰু আত্মবলিদানক শ্ৰদ্ধাৰে সুঁৱৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে চৰকাৰে বিগত ১০ বছৰত গ্ৰহণ কৰা সামগ্ৰিক উন্নয়নমূলক আঁচনিৰ জৰিয়তে দেশৰ অনন্য পৰিৱৰ্তন সাধন হৈছে। তেওঁ কয় যে প্ৰতিটো পৰিয়ালক বিশুদ্ধ পানী যোগান, প্ৰতিটো শিশুৰ বাবে মানসম্পন্ন শিক্ষাৰ ব্যৱস্থা, প্ৰতিগৰাকী উদ্যোগীক বিত্তীয় সাহায্য প্ৰদান আৰু প্ৰতিখন গাঁৱক ডিজিটেল অৰ্থনীতিৰে লাভান্বিত কৰাই হৈছে সামগ্ৰিক বিকাশৰ অৰ্থ।

সপ্তদশ অসামৰিক সেৱা দিৱস উপলক্ষে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে কয়। প্ৰধানমন্ত্ৰীয়ে কয় যে সম্প্ৰতি চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহৰ জৰিয়তে দেশৰ বাবে কেইবা হাজাৰ বছৰীয়া পৰিকল্পনা যুগুত কৰা হৈছে। তেওঁ কয় যে প্ৰকৃত প্ৰগতি সৰু সৰু পৰিৱৰ্তন নহয়, বৰং বৃহৎ পৰিসৰ আৰু অৰ্থপূৰ্ণ পৰিৱৰ্তনৰ জৰিয়তেহে সম্ভৱ হয়। দেশক প্ৰগতিৰ উচ্চ শিখৰত উপনীত কৰাবৰ বাবে শ্ৰীমোদীয়ে দেশৰ যুৱ সমাজ, কৃষক আৰু মহিলাসকলৰ আশা-আকাংক্ষা পূৰণত গুৰুত্ব আৰোপ কৰে। শ্ৰীমোদীয়ে কয় যে ভাৰতে বৰ্তমান প্ৰশাসন, স্বচ্ছতা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত নতুন মাইলৰ খুঁটি স্থাপন কৰিছে।

ooooo

কামৰূপ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত জিলাখনৰ কেইবাটাও অঞ্চলত আজি বানৰ সময়ত ল'বলগীয়া সাৱধানতা, ব্যৱস্থা আদি সন্দৰ্ভত প্ৰশিক্ষণ আৰু সজাগতা সভাৰ আয়োজন কৰা হয়। জিলাখনৰ চমৰীয়া, গৰৈমাৰী, ৰঙিয়া আৰু পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ৰাজহুৱা হাট বজাৰ আৰু বিদ্যালয়সমূহত এই উপলক্ষে এন ডি আৰ এফ, এছ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী আৰু বেচৰকাৰী সংস্থাসমূহে বানৰ সময়ত নিজৰ লগতে আনকো উদ্ধাৰ কৰা তথা প্ৰাথমিক চিকিৎসা প্ৰদান আদি বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰে। জিলাখনৰ বানাক্ৰান্ত অঞ্চলসমূহত ৰূপায়ণ কৰা এনে প্ৰশিক্ষণ আৰু সজাগতা সভাৰ জৰিয়তে জনসাধাৰণ উপকৃত হ'ব বুলি জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ প্ৰকল্প বিষয়া ৰাজীৱ দত্ত চৌধুৰীয়ে আশা প্ৰকাশ কৰে।

ooooo

সমাপ্ত